# MEANING, DEFINITION AND ELEMENTS OF COMMUNICATION

## সপ্তম অধ্যায়

## সম্প্ৰসাৰণ শিক্ষাত যোগাযোগ

পাতনি (Intorducation)ঃ মানুহ এক সামাজিক প্ৰাণী। জীৱন কোনো ব্যক্তিয়েই অকলে থাকিব নোৱাৰে এজনে আনজনৰ লগত মিলা মিছা,জীৱৰ , আদান-প্ৰদান,মৰম স্নেহৰ স্বৰূপ যোগ-যোগ সম্পৰ্ক কৰি জীয়াই থাকে, এজন ব্যক্তিয়ে তেওঁৰ নিজৰ আশা আকাংশা সুখ ,দুখ অনু ভূতি বোৰ আন জনৰ ওচৰত ব্যক্ত অনুভৱ কৰে আৰু দুখ পাতলাই। এইখিনি কৰিবলৈ যাওতে ব্যক্তিজনে যোগাযোগৰ সহায় লয়। সম্প্ৰসাৰণ শিক্ষাৰ অৰ্থই হৈছে ব্যক্তিয়ে অৰ্জিত শিক্ষা আন দহ জনলৈ সম্প্ৰসাৰিত কৰা। সেয়েহে এই শিক্ষাত যোগা যোগৰ প্ৰয়োজনীয়তা অধিক। এই প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই অধ্যায়ত যোগাযোগৰ সম্পৰ্কে তলত দিয়া ধৰণেৰে আলোচনা কৰা হৈছে।

**৭.১ যোগাযোগৰ অৰ্থ** (Meaning of Communication) ঃ যোগাযোগ হৈছে এনে এক প্ৰক্ৰিয়া যি প্ৰক্ৰিয়াৰ দ্বাৰা ব্যক্তিয়ে ভাৱৰ আদান প্ৰদান কৰিব পাৰে আৰু নিজৰ মনৰ জ্ঞান, ধাৰণা, চিন্তা, অনুভূতি আদি আনৰ মনলৈ সঞ্চালন কৰে। যোগাযোগৰ ইংৰাজী প্ৰতিশব্দ Communication শব্দটো লেটিন ভাষাৰ Communicare শব্দৰ পৰা আহিছে। Commun's ৰ অৰ্থ হ'ল To make common আৰু Communicare ৰ অৰ্থ হ'ল To share to input, to transmit । অৰ্থাৎ দুয়োটা শব্দৰ অৰ্থ হ'ল সাধাৰণ বা উমৈহতীয়াকৰণ কাৰ্য। গতিকে যোগাযোগ হ'ল এজন ব্যক্তিয়ে আন এজন ব্যক্তি বা ব্যক্তি সমষ্টিক প্ৰদান কৰা ধ্যান ধাৰণা, ভাব অনুভূতি, জ্ঞান, অভিজ্ঞতা সমূহৰ সাধাৰণ আৰু উমৈহতীয়া অৰ্থবোধকৰণ বা অংশীদাৰকৰণৰ প্ৰক্ৰিয়া। যোগাযোগৰ দ্বাৰা ব্যক্তিয়ে নিজৰ মনৰ ভাৱ আনৰ



আগত ব্যক্ত কৰাৰ লগতে আনৰ দ্বাৰাও প্ৰভাৱিত হয়। গৃহবিজ্ঞান সম্প্ৰসাৰণ কৰ্মীজনে বৰ্তমান জীৱনৰ মানদণ্ডৰ উন্নতি সাধন কৰাৰ বাবে প্ৰয়োজনীয় বৈজ্ঞানিক আৰু তথ্য প্ৰযুক্তিৰ বাৰ্তা সমূহ যোগাযোগৰ মাধ্যমেৰে গৃহ আৰু পৰিয়ালৰ ব্যক্তি সকললৈ সম্প্ৰসাৰিত কৰে।

**৭.২ যোগাযোগৰ সংজ্ঞা** (Definition of Communication) ঃ যোগাযোগ প্ৰক্ৰিয়া সম্পৰ্কে বিভিন্ন চিন্তাবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছে।

Leagans (1961) ৰ মতে যোগাযোগ হ'ল এনে এক প্ৰক্ৰিয়া য'ত দুজন বা তাতোধিক ব্যক্তিয়ে নিজৰ ধাৰণা, অনুভৱ আদি আদান প্ৰদান কৰি এটা উমৈহতীয়া বুজাপৰাত উপনীত হ'ব পাৰে (As a process by which two or more people exchange ideas, facts, feelings or impressions, in ways that each gain a common understanding of the message)

Edger Dale য়ে যোগাযোগ প্ৰক্ৰিয়াৰ সংজ্ঞা এনেধৰণে আগবঢ়াইছে পাৰস্পৰিক দিয়া লোৱাৰ মনোভাৱেৰে পৰস্পৰৰ ধাৰণা আৰু অনুভূতিৰ অংশীদাৰ হোৱা প্ৰক্ৰিয়াক যোগাযোগ বুলি কোৱা হয় ।(Communication means sharing of ideas and feelings in a mood of morality)

John Dewey ৰ মতে যোগযোগ হ'ল অভিজ্ঞতাৰ অংশীদাৰ কৰণৰ এটা প্ৰক্ৰিয়া। অভিজ্ঞতা উমৈহতীয়া সম্পদ নোহোৱালৈকে এই প্ৰক্ৰিয়া চলি থাকে। এই প্ৰক্ৰিয়াত জড়িত দুয়োটা পক্ষৰে প্ৰকৃতিগত পৰিশোধন হয়। (Communication is a process of sharing experience till it becomes a common possession. It modifies the disposition of both the parties who partake it.

**৭.৩ যোগাযোগ প্ৰক্ৰিয়াৰ উপাদান** (Elements of communication process) ঃ যোগাযোগ প্ৰক্ৰিয়া সম্পাদিত হোৱাৰ ক্ষেত্ৰত কিছুমান উপাদানে সহায় কৰে। এই উপাদানবোৰৰ অবিহনে যোগাযোগ প্ৰক্ৰিয়াত বিসংগতিয়ে দেখা দিয়ে। এই উপাদান সমূহ হৈছে-

১) প্ৰেৰক (Sender) ঃ যোগাযোগ প্ৰক্ৰিয়াৰ প্ৰধান উপাদান হ'ল

বাৰ্তা প্ৰেৰণ কৰোতা। তেওঁক যোগাযোগকাৰী বা প্ৰেৰক আখ্যা দিয়া হয় ,যিজনে কাক, কেতিয়া, কেনেকৈ, কি তথ্য বা বাৰ্তা কি উপায়েৰে প্ৰেৰণ কৰিব লাগে ইত্যাদি সিদ্ধান্ত গ্ৰহণ কৰে। গৃহ বিজ্ঞান সম্প্ৰসাৰণ শিক্ষাত সম্প্ৰসাৰণ কৰ্মী, গৃহ বিজ্ঞানৰ শিক্ষক হ'ল প্ৰেৰক বা উৎস। এজন সফল প্ৰেৰক হ'বলৈ তেওঁৰ পঠিয়াবলগীয়া বাৰ্তাটোৰ বিষয়ে সম্যক জ্ঞান, গ্ৰাহকৰ প্ৰকৃতিৰ বিষয়ে জানিব লাগে। তদুপৰি প্ৰেৰকজনৰ সাধাৰণ কৰ্মদক্ষতা বা যোগ্যতা (General competence) আৰু গতিশীলতা (Dynamism) থাকিব লাগে।

**২) বাৰ্তা বা সংবাদ (Message) ঃ** প্ৰেৰকে সংগ্ৰাহকলৈ যি বিষয়বস্তু বা তথ্য প্ৰেৰণ কৰে তাকে বাৰ্তা বা সংবাদ (Message) বুলি কোৱা হয়। এই বাৰ্তাসমূহ মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিবলৈ প্ৰয়োজন হোৱা নতুন কৌশল, পদ্ধতি, অনুশীলনৰ ভিত্তিত প্ৰদান কৰিব লাগে। বাৰ্তাসমূহ সংগ্ৰাহকৰ সমস্যা আৰু প্ৰয়োজনীয়তাৰ ওপৰত প্ৰস্তুত কৰিব লাগে। এটা ভাল বাৰ্তাত তলত দিয়া বৈশিষ্ট্য কেইটা পৰিলক্ষিত হয়।

ক) বাৰ্তা সদায় সহজ, নিশ্চিত আৰু স্পষ্টবিধৰ হ'ব লাগে।

খ) বাৰ্তা সদায় সু-সংগতিপূৰ্ণ তথ্য আৰু চিত্ৰৰ সহায়েৰে প্ৰেৰণ কৰিব লাগে।

গ) বাৰ্তা সদায় সংগ্ৰাহকৰ সামাজিক আৰু অৰ্থনৈতিক সীমাৰ ভিতৰত হ'ব লাগে।

ঘ) বাৰ্তাটোৰ প্ৰতি সদায় সংগ্ৰাহকৰ আগ্ৰহ থাকিব লাগে।

**৩) চেনেল বা মাধ্যম (Channel বা Media) ঃ** চেনেল বা মাধ্যম হ'ল বাৰ্তা প্ৰেৰণৰ উপায়। যোগাযোগ প্ৰক্ৰিয়াত ব্যৱহাৰ কৰা চেনেলসমূহ হৈছে বিভিন্ন ধৰণৰ শব্দ, ছপাশব্দ, বিভিন্ন ইলেক্ট্ৰনিক সঁজুলি, আধুনিক সমাজৰ ৰেডিঅ', টেলিভিচন, কেছেট, টেলিফোন, কম্পিউটাৰ ইত্যাদি। যোগাযোগ প্ৰক্ৰিয়াত এই মাধ্যম সমূহ নিৰ্বাচন কৰাৰ ক্ষেত্ৰত তলৰ কথা কেইটালৈ মন কৰিব লাগে-

ক) মাধ্যম সমূহ সংগ্ৰাহকৰ সহজলভ্য হ'ব লাগে।

খ) যোগাযোগকাৰী মাধ্যমসমূহ সহজে পৰিচালিত কৰিব পৰা হ'ব লাগে।

গ) মাধ্যমসমূহ এনেধৰণে নিৰ্বাচিত কৰিব লাগে যাতে প্ৰেৰকৰ চিন্তাধাৰাক



সঠিকভাৱে প্ৰতিফলতি আৰু সঞ্চাৰিত কৰিব পাৰে।

ঘ) মাধ্যমসমূহৰ যোগেদি যাতে সংগ্ৰাহকে প্ৰেৰকৰ চিন্তাধাৰা বা ভাৱধাৰা উপলব্ধি কৰিবলৈ সক্ষম হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

**৪) দৰ্শক (Audience) ঃ** যোগাযোগ প্ৰক্ৰিয়াত দৰ্শক হ'ল বাৰ্তা গ্ৰহণ কৰোতা বা সংগ্ৰাহক। দৰ্শক এজন ব্যক্তি বা এটা দল হ'ব পাৰে। গৃহবিজ্ঞান সম্প্ৰসাৰণ কাৰ্যসূচীত দৰ্শক গৃহিনী বা মহিলাৰ দল-সংগঠন, কিশোৰী সকল হ'ব পাৰে। বিভিন্ন কাৰকে বাৰ্তাটোৰ সফলতাত প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে দলে বাৰ্তাটো সহজতে গ্ৰহণ কৰিব পাৰে। তদুপৰি দৰ্শকৰ আগ্ৰহ সংকেতমুক্তকৰণৰ ক্ষমতা, বাৰ্তাৰ অৰ্থ উপলব্ধি ক্ষমতা আৰু উপযুক্ত প্ৰতিক্ৰিয়া প্ৰদানৰ ক্ষমতাৰ ওপৰত যোগাযোগৰ ফলপ্ৰসুতা নিৰ্ভৰ কৰে।

প্ৰেৰক → বাৰ্তা → মাধ্যম → দৰ্শক